# উচ্চতম ন্যায়ালয়

এথাৰ্টন ওৱেষ্ট এণ্ড কোম্পানী লিমিটেড

বনাম

সুতি মিলচ মজদুৰ ইউনিয়ন আৰু অন্যান্য

**[মেহেৰ চান্দ মহাজন আৰু ভাগৱতী, ন্যায়াধীশদ্বয়]**

সংযুক্ত প্ৰদেশ ঔদ্যোগিক বিবাদ আইন, ১৯৪৭, ধাৰা ৩,৮- সংযুক্ত প্ৰদেশ চৰকাৰৰ ১৯৪৮ চনৰ ১০ মাৰ্চৰ অধিসূচনা নং 781(L)/XVIII, দফা ৪, ৭, ২৩– আঞ্চলিক মীমাংসা বিষয়াৰ অনুমতি সাপেক্ষে শ্ৰমিকক চাকৰিৰ পৰা বৰ্খাস্ত– বিবাদৰ শুনানি লোৱাৰ ব'ৰ্ডৰ অধিকাৰক্ষেত্ৰ- বিবাদটো ঔদ্যোগিক বিবাদ হিচাপে অন্ত পৰিছে নেকি- ব'ৰ্ডৰ ৰায়দান- শুনানিৰ সময়ত এজন সদস্যৰ অনুপস্থিতি- ৰায়ৰ বৈধতা।

১৯৪৮ চনৰ ১০ মাৰ্চত সংযুক্ত প্ৰদেশ চৰকাৰে জাৰি কৰা অধিসূচনা নং 781(L)/XVIIIৰ দফা ৪ আৰু ৭(৩)ৰ বিধান অনুসৰি, আঞ্চলিক মীমাংসা ব'ৰ্ডৰ এজন সদস্যৰ শুনানিৰ অন্তিম তাৰিখত অনুপস্থিতি আৰু নিৰ্ণয় লোৱা আৰু স্বাক্ষৰ কৰাত তেওঁৰ অংশগ্ৰহণ নকৰাটোৱে নিৰ্ণয় বাতিল বা অকাৰ্যকৰী কৰি তুলিব নোৱাৰে।

কেৱল আঞ্চলিক মীমাংসা বিষয়াই ১৯৪৮ চনৰ ১০ মাৰ্চৰ সংযুক্ত প্ৰদেশ চৰকাৰৰ অধিসূচনাৰ ২৩ নং দফা অনুসৰি নিয়োগকৰ্তাক চাকৰিৰ পৰা বৰ্খাস্ত কৰিবলৈ লিখিত অনুমতি দিছিল কাৰণেই শ্ৰমিকক চাকৰিৰ পৰা বৰ্খাস্ত কৰা আৰু তেওঁলোকক নিয়োগ নকৰাটো ঔদ্যোগিক বিবাদ হোৱাটো বন্ধ নহ'ব।

এনে অনুমতি চাকৰিচ্যুতিৰ বৈধতা প্ৰদান নকৰে বৰঞ্চ ঔদ্যোগিক বিবাদৰ সৈতে জড়িত প্ৰকৰণ চলি থকাৰ সময়ত নিয়োগকৰ্তা, তেওঁৰ এজেন্ট বা পৰিচালকে সংশ্লিষ্ট শ্ৰমিকসকলক চাকৰিৰ পৰা বৰ্খাস্ত কৰাৰ অধিকাৰৰ ওপৰত থকা নিষেধাজ্ঞা আঁতৰাই দিয়ে।

## দেৱানী আপীল অধিকাৰক্ষেত্ৰ

## দেৱানী আপীল নং ৮/১৯৫৩

আপীল নং ৪৩/১৯৫১ ভাৰতীয় শ্ৰম আপীল ন্যায়াধিকৰণ (কলিকতা)ৰ ১৬ আগষ্ট ১৯৫১ তাৰিখৰ সিদ্ধান্তৰ পৰা বিশেষ মঞ্জুৰী আবেদনৰ দ্বাৰা আপীল।

চি.কে. দফটাৰী, ভাৰতৰ ছলিচিটৰ জেনেৰেল (তেওঁৰ সৈতে শ্ৰী নাৰায়ণ এণ্ডলী) আপীলকাৰীৰ পক্ষে।

চি.পি. ভাৰ্মা উত্তৰবাদীৰ পক্ষে।

**১৬ মাৰ্চ ১৯৫৩**

ন্যায়াধীশ ভাগৱতীয়ে আদালতৰ ৰায়দান কৰে।

আপীলকাৰী আৰু উত্তৰবাদীৰ মাজত এক ঔদ্যোগিক বিবাদত আঞ্চলিক মীমাংসা ব'ৰ্ড (টেক্সটাইলছ এণ্ড হোজিয়াৰী)ৰ আাদেশক ভাৰতীয় শ্ৰম আপীল ন্যাধীকৰণ, কলিকতা'ই নিশ্চিতকৰণ কৰা আদেশৰ বিৰূদ্ধে বিশেষ অনুমতি আবেদনৰ দ্বাৰা এই আপীল কৰা হৈছে।

২, ৩ আৰু ৪ নং উত্তৰবাদী আপীলকাৰীৰ কৰ্মচাৰী, ২ নং উত্তৰবাদী কেৰাণী পদত নিয়োজিত আছিল আৰু ৩ আৰু ৪ নং উত্তৰবাদী ক্ৰমে বস্তু মেৰিওৱা কৰ্মচাৰী আৰু টুকুৰাকাৰী হিচাপে নিয়োজিত আছিল আৰু তেওঁলোকৰ

সেৱা উত্তৰ ভাৰত, কানপুৰ’ৰ নিয়োগকৰ্তা সংস্থাৰ স্থায়ী আদেশৰ দ্বাৰা নিয়ন্ত্রিত আছিল আৰু আপীলকাৰীসকল উক্ত সংস্থাৰ সদস্য আছিল।

১৯৫০ চনৰ ৬ৰ পৰা ৭ জানুৱাৰীৰ নিশা মিল চৌহদৰ ভিতৰত থকা কেন্টিনত চুৰি হৈছিল আৰু কেন্টিন একাউন্টত বিনিয়োগ কৰা আপীলকাৰীসকলৰ কিছু ধন বাকচৰ পৰা চুৰি হৈছিল। চুৰি সম্পৰ্কে আৰক্ষী কৰ্তৃপক্ষক এজাহাৰ দিয়া হয় আৰু আৰক্ষীৰ লগতে আপীলকাৰীসকলেও বিষয়টো তদন্ত কৰে যদিও কোনো ফলাফল পোৱা নাযায়। ইয়াৰ পিছত কেন্টিন একাউন্টৰ পৰা ধন লোকচান সংক্ৰান্তত কেন্টিনৰ দায়িত্বত থকা জে. পি. গুৰ্জাৰৰ বিৰুদ্ধে আপীলকাৰীসকলৰ ব্যৱস্থাপনাই ব্যৱস্থা গ্ৰহণ কৰে আৰু তদন্ত সম্পূৰ্ণ হোৱাৰ পিছত তেওঁৰ সেৱা বন্ধ কৰে। উক্ত জে. পি. গুৰ্জাৰৰ নিয়োগ নোহোৱাৰ সন্দৰ্ভত পক্ষসমূহৰ মাজত এটা ঔদ্যোগিক বিবাদৰ সৃষ্টি হয় যিটো বিবাদ কানপুৰৰ ঔদ্যোগিক আদালত (টেক্সটাইলছ এণ্ড হোজিয়াৰী)ত সেই সময়ত আপীল হিচাপে লোৱা হয়। গোচৰটো বিচাৰাধীন থকা অৱস্থান ১৯৫০ চনৰ আগষ্ট মাহৰ এটা সময়ত ৪ নং উত্তৰবাদীয়ে উক্ত চুৰিৰ সন্দৰ্ভত স্বীকাৰোক্তি দিছিল আৰু তাত ২ আৰু ৩ নং উত্তৰবাদীৰ ওপৰতো দোষ জাপি দিছিল। ১৯৫০ চনৰ ২৯ আগষ্টত আপীলকাৰীসকলৰ ব্যৱস্থাপনাই উক্ত চুৰিৰ সন্দৰ্ভত ২,৩ আৰু ৪ নং উত্তৰবাদীৰ বিৰূদ্ধে অভিযোগনামা দাখিল কৰি ১৯৫০ চনৰ ৩০ আগষ্টত তেওঁলোকক সেৱাৰ পৰা নিলম্বন কৰে। ১৯৫০ চনৰ ২ ছেপ্টেম্বৰত কানপুৰৰ অতিৰিক্ত আঞ্চলিক মীমাংসা বিষয়ালৈ আবেদন জনাই ২, ৩ আৰু ৪ নং উত্তৰবাদীক চাকৰিৰ পৰা বৰ্খাস্ত কৰাৰ অনুমতি বিচাৰিছিল। কানপুৰৰ অতিৰিক্ত আঞ্চলিক মীমাংসা বিষয়াই এক অনুসন্ধান আৰম্ভ কৰি ২,৩ আৰু ৪ নং উত্তৰবাদীৰ শুনানি গ্ৰহণ কৰি আপীলকাৰীৰ

লগতে ২,৩ আৰু ৪ নং উত্তৰবাদীয়ে তেওঁৰ সন্মুখত দাখিল কৰা প্ৰমাণসমূহ বিবেচনা কৰি ১২ অক্টোবৰ, ১৯৫০ তাৰিখে আপীলকাৰীক ২, ৩ আৰু ৪ নং উত্তৰবাদীক চাকৰিৰ পৰা বৰ্খাস্ত কৰা অনুমতি প্ৰদান কৰে। সেই অনুসৰি ২, ৩ আৰু ৪ নং উত্তৰবাদীক ১৯৫০ চনৰ ১৩ অক্টোবৰৰ পৰা কাৰ্যকৰী হোৱাকৈ আপীলকাৰীয়ে চাকৰিৰ পৰা বৰ্খাস্ত কৰে।

তাৰ পিছত উত্তৰবাদী নং ২, ৩ আৰু ৪ৰ নিয়োগ নোহোৱা সংক্ৰান্তে আপীলকাৰী আৰু উত্তৰবাদী নং ২, ৩ আৰু ৪ ৰ মাজত এক ঔদ্যোগিক বিবাদৰ সৃষ্টি হয় আৰু উত্তৰবাদী নং ১, এটা পঞ্জীয়নভুক্ত ট্ৰেড ইউনিয়ন আৰু ইয়াৰ সদস্য উত্তৰবাদী নং ২, ৩ আৰু ৪ অৱশেষত ১৯৫০ চনৰ ১ নৱেম্বৰত কানপুৰৰ আঞ্চলিক মীমাংসা ব'ৰ্ড (টেক্সটাইলছ আৰু হোজিয়াৰী)লৈ উত্তৰবাদী নং ২, ৩ আৰু ৪ক চাকৰিৰ পৰা বৰ্খাস্ত কৰাৰ বৈধতা আৰু সততাক প্ৰত্যাহ্বান জনাই আবেদন জনায়।

১৯৫০ চনৰ ২৫ নৱেম্বৰত আপীলকাৰীসকলে তেওঁলোকৰ লিখিত বিবৃতি দাখিল কৰি অন্যান্য বিষয়ৰ লগতে কয় যে অতিৰিক্ত আঞ্চলিক মীমাংসা বিষয়াই দিয়া অনুমতি অনুসৰি বৰ্খাস্ত কৰাটো সম্পূৰ্ণৰূপে ন্যায্য, নিয়মীয়া আৰু সঠিক। আঞ্চলিক মীমাংসা ব’ৰ্ডৰ সন্মুখত একমাত্ৰ বিবাদীয় বিষয়টো আছিল ১৯৫০ চনৰ ১ নৱেম্বৰৰ আবেদনত নাম উল্লেখ কৰা তিনিজন শ্ৰমিকৰ কোনো এজন বা সকলোকে ভুলকৈ চাকৰিৰ পৰা বৰ্খাস্ত কৰা হৈছে নে নাই আৰু যদি হৈছে তেন্তে তেওঁ কি সকাহ পোৱাৰ অধিকাৰী। ব’ৰ্ড তিনিজনীয়া আছিল, অধ্যক্ষ শ্ৰী আৰ. পি. মহেশ্বৰী আৰু সদস্য শ্ৰী বি. বি. সিং আৰু শ্ৰী জে. কে. ভগত। শুনানিৰ অন্তিম তাৰিখত শ্ৰী জে. কে. ভগত উপস্থিত নাছিল আৰু সেয়েহে ১৯৫১ চনৰ ২০ এপ্ৰিলত শ্ৰী আৰ. পি. মহেশ্বৰী আৰু

শ্ৰী বি. বি. সিঙে আদেশত স্বাক্ষৰ কৰিছিল। ব’ৰ্ডে ৰায় দিছিল যে চাকৰিৰ পৰা বৰ্খাস্ত কৰাটো ভুল আছিল আৰু উত্তৰবাদী নং ২, ৩ আৰু ৪ পুনৰ নিযুক্তি পোৱাৰ অধিকাৰী আৰু লগতে তেওঁলোক নিলম্বনৰ তাৰিখৰ পৰা পুনৰ নিযুক্তিৰ তাৰিখলৈকে মৰগীয়া ভাট্টাকে ধৰি সম্পূৰ্ণ মজুৰিৰ নিযুক্তিৰ অধিকাৰী।

আপীলকাৰীসকলে ভাৰতীয় শ্ৰমিক আপীল ন্যায়াধিকৰণ, কলিকতাৰ ওচৰত আপীল কৰে। ১৯৫১ চনৰ ১৬ আগষ্টত এই আপীলৰ শুনানি গ্ৰহণ কৰি শ্ৰমিক আপীল ন্যায়াধিকৰণে আপীলকাৰীসকলৰ আপীল খাৰিজ কৰে। আপীলকাৰীসকলে এই আদালতৰ পৰা বিশেষ অনুমতি লাভ কৰি এই আপীল দাখিল কৰে।

আমাৰ আগত আপীলকাৰীসকলৰ হৈ হাজিৰ হোৱা শ্ৰী চি. কে. ডাফটাৰীয়ে দুটা যুক্তি দৰ্শাইছে যে- (১) আদেশটো অবৈধ আৰু অকাৰ্যকৰী আছিল কাৰণ ব'ৰ্ডৰ মাত্ৰ দুজন সদস্যইহে আদেশ জাৰী কৰিছিল, তৃতীয়জন সদস্য শ্ৰী জে. কে. ভগত অন্তিম শুনানিৰ দিনা উপস্থিত নাছিল আৰু আদেশত স্বাক্ষৰ কৰা নাছিল আৰু (২) যিহেতু অতিৰিক্ত আঞ্চলিক মীমাংসা বিষয়াই উত্তৰবাদী নং ২, ৩ আৰু ৪ৰ বৰ্খাস্তৰ বাবে লিখিলত অনুমতি প্ৰদান কৰিছিল, উত্তৰবাদী নং ২, ৩ আৰু ৪ৰ নিয়োগ নোহোৱা সংক্ৰান্তে কোনো ঔদ্যোগিক বিবাদৰ সৃষ্টি হ’ব নোৱাৰে আৰু ১ নং উত্তৰবাদীয়ে ২, ৩ আৰু ৪ নং উত্তৰবাদীৰ হৈ দাখিল কৰা আবেদন বিবেচনা কৰাৰ আঞ্চলিক মীমাংসা ব'ৰ্ডৰ কোনো অধিকাৰক্ষেত্ৰ নাই আৰু অধিকাৰক্ষেত্ৰ নোহোৱাকৈ ২, ৩ আৰু ৪ নং উত্তৰবাদীক পুনৰ নিযুক্তি দিয়াৰ আঞ্চলিক মীমাংসা ব'ৰ্ডৰ আদেশ অবৈধ আৰু

অকাৰ্যকৰী আছিল আৰু শ্ৰম আপীল ন্যায়াধিকৰণে সেই আদেশক নিশ্চিত কৰাটো ভুল আছিল।

তেওঁৰ প্ৰথম যুক্তিৰ সমৰ্থনত শ্ৰী চি. কে. ডাফটাৰীয়ে ৰাজ্যখনৰ ভিতৰত ঔদ্যোগিক বিবাদ নিষ্পত্তিৰ বাবে আঞ্চলিক মীমাংসা ব’ৰ্ড আৰু ঔদ্যোগিক আদালত গঠনৰ সন্দৰ্ভত সংযুক্ত প্ৰদেশ চৰকাৰে জাৰি কৰা ১০ মাৰ্চ, ১৯৪৮ তাৰিখৰ জি.এন. নং 781(L)/XVIII ৰ দফা ৪ আৰু ৭ নং দফাৰ উপ-দফা (৩)ৰ ওপৰত নিৰ্ভৰ কৰিছে।

দফা ৪- "ব'ৰ্ডৰ বৈঠকত তিনিওজন সদস্য উপস্থিত নোহোৱালৈকে কোনো কাৰ্য্য সম্পাদন কৰিব নোৱাৰিব।"

দফা ৭(৩)- "য'ত এটা বা ততোধিক বিষয়ত কোনো সৌহাৰ্দ্যপূৰ্ণ নিষ্পত্তি কৰিব নোৱাৰি, ব'ৰ্ডে, যদি ইয়াৰ সকলো সদস্যই সন্মত হয় বা যদি তেওঁলোকে তেনেকৈ সন্মত নহয়, সদস্যসকলৰ সংখ্যাগৰিষ্ঠৰ সন্মতি বা যদি কোনো দুজন সদস্যই সন্মত নহয়, তেন্তে অধ্যক্ষই অকলে যিবোৰ বিষয়ত পক্ষসমূহে সৌহাৰ্দ্যপূৰ্ণ নিষ্পত্তি কৰিব পৰা নাছিল, সেই বিষয়বোৰৰ ওপৰত আদেশ আৰু তাৰ কাৰণ লিপিবদ্ধ কৰিব।"

সেয়েহে শ্ৰী চি. কে. ডাফটাৰীয়ে দৰ্শায যে ব’ৰ্ডৰ শেষৰখন বৈঠকত শ্ৰী জে. কে. ভগত উপস্থিত নোহোৱাৰ বাবে আৰু আদেশত স্বাক্ষৰ নকৰাৰ বাবে অধ্যক্ষ আৰু উপস্থিত থকা আৰু আদেশত স্বাক্ষৰ কৰা আনজন সদস্যই আদেশটো বৈধভাৱে দিব নোৱাৰে আৰু সেয়েহে আদেশটো অবৈধ আৰু অকাৰ্যকৰী আছিল। আমাৰ আগত ১ নং উত্তৰবাদীক প্ৰতিনিধিত্ব কৰা শ্ৰী চি. পি. ভাৰ্মাই অৱশ্যে ১৯৫১ চনৰ ২ মাৰ্চ তাৰিখৰ চৰকাৰী আদেশ নং 388(11)/XVIII/37(LL)/50ৰ প্ৰতি আমাৰ দৃষ্টি আকৰ্ষণ কৰিছে, যিয়ে

ওপৰৰ দফা ৪ আৰু ৭(৩) সংশোধন কৰিছিল। সংশোধিত ৪ নং দফাত আছে:-

"(১) ব'ৰ্ডৰ প্ৰতিখন বৈঠকৰ জাননী অধ্যক্ষই আগতীয়াকৈ সদস্যসকলক দিব লাগিব।"

(২) যদি অধ্যক্ষৰ বাহিৰে আন কোনো এজন বা দুয়োজন সদস্যই ব’ৰ্ডৰ কোনো সভাত উপস্থিত নাথাকে, যাৰ বিষয়ে তেওঁলোকক জাননী দিয়া হৈছে, তেন্তে অধ্যক্ষই অনুপস্থিত সদস্য বা সদস্যৰ উপস্থিতি অবিহনে ব’ৰ্ডৰ কাৰ্য্য সম্পাদন কৰিব পাৰে; আৰু ব'ৰ্ডৰ এনে কোনো কাৰ্য্যবিধি কেৱল সভাত কোনো এজন বা দুয়োজন সদস্য উপস্থিত নথকাৰ বাবেই অবৈধ বুলি গণ্য কৰা নহ'ব।"

সংশোধিত দফা ৭(৩)ত উল্লেখ আছে:-

"য'ত এটা বা ততোধিক বিষয়ত কোনো সৌহাৰ্দ্যপূৰ্ণ নিষ্পত্তি কৰিব নোৱাৰি, যদি উপস্থিত সকলো সদস্যই ব'ৰ্ডত সন্মতি দিয়ে বা যদি তেওঁলোকে তেনেকৈ সন্মতি নিদিয়ে তেন্তে সন্মতি দিয়া সদস্যসকলৰ সংখ্যাগৰিষ্ঠতাই বা যদি উপস্থিত কোনো দুজন সদস্যই সন্মত নহয় বা যদি কেৱল অধ্যক্ষ উপস্থিত থাকে, তেওঁ অকলে, পক্ষসমূহে সৌহাৰ্দ্যপূৰ্ণ নিষ্পত্তি কৰিব নোৱাৰা বিষয়সমূহৰ ওপৰত আদেশ আৰু তেনে আদেশৰ কাৰণসমূহ লিপিবদ্ধ কৰিব লাগিব।"

৪ আৰু ৭(৩) দফাত উল্লেখ কৰা এই সংশোধনীসমূহ আমাৰ মতে শ্ৰী চি. কে. ডাফটাৰীৰ এই যুক্তিক প্ৰতিহত কৰিবলৈ যথেষ্ট যে শ্ৰী জে. কে. ভগতৰ শেষ বৈঠকত অনুপস্থিতিৰ বাবে আৰু লগতে আদেশ প্ৰস্তুত আৰু স্বাক্ষৰকৰণত তেওঁৰ অংশগ্ৰহণ নকৰাৰ বাবে আদেশটো অবৈধ আৰু

অকাৰ্যকৰী। সংশোধিত দফা ৪ আৰু ৭(৩)ৰ অধীনত ব’ৰ্ডক শ্ৰী জে. কে. ভগতৰ অনুপস্থিতিত কাম কৰাৰ ক্ষমতা প্ৰদান কৰা হৈছিল আৰু বাকী সদস্য দুজন অৰ্থাৎ শ্ৰী আৰ. পি. মহেশ্বৰী আৰু শ্ৰী বি. বি. সিঙে যিদৰে আদেশ দিছিল আৰু স্বাক্ষৰ কৰিছিল, সেয়া বৈধ আৰু পক্ষসমূহৰ ওপৰত বাধ্যতামূলক। তেওঁৰ দ্বিতীয়টো যুক্তিৰ সমৰ্থনত শ্ৰী চি. কে. ডাফটাৰীয়ে ওপৰত উল্লেখ কৰা ১৯৪৮ চনৰ ১০ মাৰ্চ তাৰিখৰ চৰকাৰী অধিসূচনাৰ ২৩ আৰু ২৪ নং দফাৰ ওপৰত নিৰ্ভৰ কৰিছে।

দফা ২৩ :- "আঞ্চলিক মীমাংসা ব'ৰ্ডত বা প্ৰাদেশিক মীমাংসা ব'ৰ্ডত অনুসন্ধান চলি আছে নে নাই  বা ঔদ্যোগিক আদালতত আপীল দাখিল কৰা হৈছে নে নাই  সেয়া নিৰ্বিশেষে আঞ্চলিক মীমাংসা বিষয়া বা সংশ্লিষ্ট সহকাৰী আঞ্চলিক মীমাংসা বিষয়াৰ লিখিত অনুমতিত কোনো নিয়োগকৰ্তাই, তেওঁৰ এজেন্ট বা পৰিচালকে অনুসন্ধান বা আপীল চলি থকাৰ সময়ত আৰু উক্ত আদালতৰ তথ্যৰ ভিত্তিত ৰাজ্য চৰকাৰৰ আদেশ জাৰি হোৱালৈকে কোনো শ্ৰমিকক চাকৰিৰ পৰা বৰ্খাস্ত কৰিব নোৱাৰিব......."

দফা ২৪:- "(১) ইয়াৰ পূৰ্বে উল্লেখ কৰা বাহিৰে এই আদেশৰ বিধানৰ অধীনত দিয়া প্ৰতিটো আদেশ বা নিৰ্দেশ চূড়ান্ত আৰু নিৰ্ণায়ক হ'ব আৰু কোনো প্ৰকৰণত ইয়াৰ কোনো পক্ষই প্ৰশ্ন উত্থাপন নকৰিব........."

শ্ৰী চি. কে. ডাফটাৰীয়ে দৰ্শায় যে ১৯৫০ চনৰ ১২ অক্টোবৰত অতিৰিক্ত আঞ্চলিক মীমাংসা বিষয়াই আপীলকাৰীসকলক ২, ৩ আৰু ৪ নং উত্তৰবাদীক চাকৰিৰ পৰা বৰ্খাস্ত কৰাৰ অনুমতি দিয়া আদেশটো আপীলকাৰীসকলৰ চাকৰিৰ পৰা বৰ্খাস্ত কৰাৰ অধিকাৰৰ ক্ষেত্ৰত চূড়ান্ত আৰু নিৰ্ণায়ক আৰু সেই অনুসৰি আপীলকাৰীসকলে তেওঁলোকক চাকৰিৰ পৰা বৰ্খাস্ত

কৰাটো কোনো ঔদ্যোগিক বিবাদৰ ভেটি হ'ব নোৱাৰে যিটো ১ নং উত্তৰবাদীৰ অনুৰোধত আঞ্চলিক মীমাংসা ব'ৰ্ডলৈ প্ৰেৰণ কৰিব পৰা যায়। তেওঁ আৰু দৰ্শায় যে যদিহে এনেদৰে কোনো ঔদ্যোগিক বিবাদৰ সৃষ্টি হ'ব নোৱাৰে, তেন্তে আঞ্চলিক মীমাংসা ব'ৰ্ডে তেনে বিষয় বিবেচনা কৰাৰ কোনো অধিকাৰ নাই আৰু সেয়েহে ব'ৰ্ডে দিয়া আদেশটো অধিকাৰক্ষেত্ৰৰ বাহিৰত, অবৈধ আৰু অকাৰ্যকৰী আৰু শ্ৰম আপীল ন্যায়াধিকৰণেও তাক নিশ্চিত কৰিব নোৱাৰে।

এই যুক্তি আমি মানি ল'ব পৰা নাই। ১৯৪৮ চনৰ ১০ মাৰ্চ তাৰিখৰ চৰকাৰী অধিসূচনাখন সংযুক্ত প্ৰদেশৰ ৰাজ্যপালে সংযুক্ত প্ৰদেশ ঔদ্যোগিক বিবাদ আইন, ১৯৪৭ৰ ধাৰা ৩ আৰু ধাৰা ৮ৰ দফা (খ), (গ), (ঘ) আৰু (ঙ)ৰ দ্বাৰা প্ৰদান কৰা ক্ষমতা প্ৰয়োগ কৰি জাৰি কৰিছিল। ইয়াত প্ৰাদেশিক চৰকাৰে তিনিজন সদস্যৰে গঠিত ঔদ্যোগিক বিবাদ নিষ্পত্তিৰ বাবে প্ৰয়োজনীয় বুলি বিবেচিত সংখ্যক মীমাংসা ব'ৰ্ড গঠনৰ ব্যৱস্থা কৰা হৈছিল যাৰ ভিতৰত এজন অঞ্চলটোৰ বাবে মীমাংসা বিষয়া হ'ব লাগিব, এজন লাগিব নিয়োগকৰ্তাৰ প্ৰতিনিধি হ'ব লাগিব আৰু এজন শ্ৰমিকৰ প্ৰতিনিধি হ'ব লাগিব আৰু অঞ্চলটোৰ বাবে মীমাংসা বিষয়া ব'ৰ্ডৰ অধ্যক্ষ হ'ব। আদেশত ঔদ্যোগিক বিবাদসমূহ অনুসন্ধানৰ বাবে ব'ৰ্ডলৈ কেনেকৈ প্ৰেৰণ কৰিব পাৰি আৰু অনুসন্ধান কেনেদৰে কৰা হ'ব সেই বিষয়ে উল্লেখ কৰা হৈছিল। ইয়াৰ উপৰিও প্ৰাদেশিক চৰকাৰে সভাপতি আৰু সভাপতিক সহায় কৰিবলৈ সভাপতিয়ে প্ৰয়োজন বুলি নিৰ্ধাৰণ কৰা নিয়োগকৰ্তা আৰু কৰ্মচাৰীক প্ৰতিনিধিত্ব কৰা সমসংখ্যক মূল্যায়কৰ সৈতে প্ৰয়োজন বুলি বিবেচনা কৰা সংখ্যক ঔদ্যোগিক আদালত গঠন কৰিব পাৰে। ব'ৰ্ডৰ আদেশৰ পৰা এনে ঔদ্যোগিক আদালতত আপীল কৰাৰ ব্যৱস্থা কৰা হৈছিল আৰু লগতে উক্ত আপীলসমূহৰ শুনানিৰ বাবেও ব্যৱস্থা কৰা হৈছিল। ব'ৰ্ডৰ লগতে ঔদ্যোগিক আদালতত

গ্ৰহণ কৰিবলগীয়া পদ্ধতিৰ বাবে অধিক ব্যৱস্থা কৰাৰ পিছত ওপৰত উল্লেখ কৰা ২৩ নং দফা অনুসৰি সংশ্লিষ্ট আঞ্চলিক মীমাংসা বিষয়া বা সহকাৰী আঞ্চলিক মীমাংসা বিষয়াৰ লিখিত অনুমতিৰ বাহিৰে আঞ্চলিক মীমাংসা ব'ৰ্ড বা প্ৰাদেশিক মীমাংসা ব'ৰ্ডত অনুসন্ধান বা ঔদ্যোগিক আদালতত আপীল বিচাৰাধীন হৈ থকা সময়ত নিয়োগকৰ্তা, তেওঁৰ এজেণ্ট বা পৰিচালকৰ ওপৰত যিকোনো শ্ৰমিকক চাকৰিৰ পৰা বৰ্খাস্ত কৰাত নিষেধাজ্ঞা আৰোপ কৰা হৈছিল আৰু ২৪ নং দফা অনুসৰি পূৰ্বতে উল্লেখ কৰা উক্ত চৰকাৰী আদেশৰ বিধানসমূহ অধীনত জাৰী কৰা সকলো আদেশ চূড়ান্ত আৰু নিৰ্ণায়ক।

এইটো স্পষ্ট যে ২৩ নং দফাত ব’ৰ্ডত ঔদ্যোগিক বিবাদৰ অনুসন্ধান বা ঔদ্যোগিক আদালতত আপীল বিচাৰাধীন হৈ থকা সময়ত যিকোনো শ্ৰমিকক চাকৰিৰ পৰা বৰ্খাস্ত কৰাত নিষেধাজ্ঞা আৰোপ কৰা হৈছিল আৰু নিয়োগকৰ্তা, তেওঁৰ এজেণ্ট বা পৰিচালকে কেৱল সংশ্লিষ্ট আঞ্চলিক মীমাংসা বিষয়া বা সহকাৰী আঞ্চলিক মীমাংসা বিষয়াৰ লিখিত অনুমতিত শ্ৰমিকক চাকৰিৰ পৰা বৰ্খাস্ত কৰিব পাৰিছিল। যদিও তেনে লিখিত অনুমতি দিয়াৰ ব্যৱস্থা আছে, নিয়োগকৰ্তাৰ, তেওঁৰ এজেণ্ট বা পৰিচালকে শ্ৰমিকক চাকৰিৰ পৰা বৰ্খাস্ত কৰিবও পাৰে বা নকৰিবও পাৰে আৰু এনে লিখিত অনুমতিৰ একমাত্ৰ প্ৰভাৱ হ'ব বিষয়টো বিচাৰাধীন হৈ থকা সময়ত শ্ৰমিকক চাকৰিৰ পৰা বৰ্খাস্ত কৰাৰ বিৰুদ্ধে থকা নিষেধাজ্ঞা আঁতৰোৱা। সংশ্লিষ্ট আঞ্চলিক মীমাংসা বিষয়া বা সহকাৰী আঞ্চলিক মীমাংসা বিষয়াই অনুসন্ধান কৰিব আৰু এই সিদ্ধান্তত উপনীত হ’ব যে শ্ৰমিকজনক চাকৰিৰ পৰা বৰ্খাস্ত কৰাৰ বাবে কোনো সঠিক কাৰণ আছে নেকি আৰু নিয়োগকৰ্তা, তেওঁৰ এজেণ্ট বা পৰিচালকে শ্ৰমিকজনক প্ৰস্তাৱিত চাকৰিৰ পৰা বৰ্খাস্ত কৰাৰ ক্ষেত্ৰত কোনো অনুচিত উদ্দেশ্যেৰে পৰিচালিত হোৱা নাই বা কোনো অন্যায় প্ৰথা অৱলম্বন কৰা নাই। কিন্তু

ব’ৰ্ড বা ঔদ্যোগিক আদালতৰ দৰে তেওঁক এই সিদ্ধান্তত উপনীত হোৱাৰ কৰ্তব্য অৰ্পণ কৰা হোৱা নাছিল যে বিষয়টো বিচাৰাধীন হৈ থকা সময়ত শ্ৰমিকজনক চাকৰিৰ পৰা বৰ্খাস্ত কৰাটো নিয়োগকৰ্তা, তেওঁৰ এজেণ্ট বা পৰিচালকৰ অধিকাৰৰ ভিতৰত আছিল নেকি। সংশ্লিষ্ট আঞ্চলিক মীমাংসা বিষয়া বা সহকাৰী আঞ্চলিক মীমাংসা বিষয়াই কৰিবলগীয়া অনুসন্ধানটো যিজন শ্ৰমিকক চাকৰিৰ পৰা বৰ্খাস্ত কৰিবলৈ বিচৰা হৈছিল, তেওঁৰ নিয়োগ নোহোৱাৰ ক্ষেত্ৰত উদ্ভৱ হোৱা কোনো ঔদ্যোগিক বিবাদৰ অনুসন্ধান নাছিল আৰু তেনে ঔদ্যোগিক বিবাদ কেৱল নিয়োগকৰ্তা, তেওঁৰ এজেণ্ট বা পৰিচালকে সংশ্লিষ্ট বিষয়াৰ পৰা লাভ কৰা লিখিত অনুমতি অনুসৰি শ্ৰমিকজনক চাকৰিৰ পৰা বৰ্খাস্ত কৰাৰ পিছতহে উদ্ভৱ হয়। এইটোৱেই আছিল সংশ্লিষ্ট আঞ্চলিক মীমাংসা বিষয়া বা সহকাৰী আঞ্চলিক মীমাংসা বিষয়াৰ অনুসন্ধানৰ একমাত্ৰ পৰিসৰ আৰু লিখিত অনুমতিৰ প্ৰভাৱ চাকৰিৰ পৰা বৰ্খাস্তক বৈধতা প্ৰদান কৰা নাছিল বৰঞ্চ কেৱল নিয়োগকৰ্তা, তেওঁৰ এজেণ্ট বা পৰিচালকক বিষয়টো বিচাৰাধীন হৈ থকা সময়ত শ্ৰমিকজনক চাকৰিৰ পৰা বৰ্খাস্ত কৰাৰ ক্ষেত্ৰত থকা নিষেধাজ্ঞা আঁতৰ কৰা আছিল। তেওঁ এবাৰ এনে লিখিত অনুমতি প্ৰদান কৰিলে তেওঁৰ দ্বাৰা দিয়া আদেশ বা নিৰ্দেশ চূড়ান্ত আৰু নিৰ্ণায়ক হ’ব আৰু কোনো গোচৰত ইয়াৰ কোনো পক্ষই প্ৰশ্ন উত্থাপন কৰিব নোৱাৰিব। ২৪(১) দফাটোৰ একমাত্ৰ প্ৰভাৱ আছিল বিচাৰধীন বিষয়টোৰ কোনো পক্ষই সংশ্লিষ্ট বিষয়াই এইদৰে প্ৰদান কৰা লিখিত অনুমতিক প্ৰত্যাহ্বান জনোৱাত বাধা দিয়া। এনে লিখিত অনুমতিক কোনো পক্ষৰ দ্বাৰা কোনো আপীলৰ বিষয়বস্তু কৰিব নোৱাৰি আৰু শ্ৰমিকজনক প্ৰস্তাৱিত চাকৰিৰ পৰা বৰ্খাস্ত কৰাৰ ক্ষেত্ৰত নিয়োগকৰ্তা, তেওঁৰ এজেণ্ট বা পৰিচালকক সংশ্লিষ্ট বিষয়াই অনুমতি দিয়া বা নিদিয়া আদেশ বা নিৰ্দেশনা দুয়োপক্ষৰ ওপৰত বাধ্যতামূলক হ’ব।

ওপৰত উল্লেখ কৰা দফা ২৩ আৰু ২৪(১)ৰ বিধানসমূহৰ একমাত্ৰ পৰিসৰ আছিল এইটোৱেই। এবাৰ সংশ্লিষ্ট বিষয়াই লিখিত অনুমতি প্ৰদান কৰিলে শ্ৰমিকজনক চাকৰিৰ পৰা বৰ্খাস্ত কৰাৰ বিৰুদ্ধে থকা নিষেধাজ্ঞা আঁতৰ হ'ব আৰু নিয়োগকৰ্তা, তেওঁৰ এজেণ্ট বা পৰিচালকে নিজৰ বিবেচনাৰ ব্যৱহাৰত শ্ৰমিকজনক চাকৰিৰ পৰা বৰ্খাস্ত কৰিব পাৰিব কিন্তু সেই পৰিস্থিতিত ঔদ্যোগিক বিবাদ আইন, ১৯৪৭ৰ ধাৰা ২(কে)ত থকা সংজ্ঞাৰ অৰ্থৰ ভিতৰত এটা ঔদ্যোগিক বিবাদৰ সৃষ্টি হ'ব আৰু যিসকল শ্ৰমিকক চাকৰিৰ পৰা বৰ্খাস্ত কৰা হৈছে, তেওঁলোকে সেই ঔদ্যোগিক বিবাদটো অনুসন্ধানৰ বাবে আঞ্চলিক মীমাংসা ব'ৰ্ডলৈ প্ৰেৰণ কৰাৰ অধিকাৰী হ'ব। ওপৰত উল্লেখ কৰা ২৩ আৰু ২৪(১) দফাৰ বিধানৰ আশ্ৰয় লৈ শ্ৰী চি. কে. ডাফটাৰীয়ে দৰ্শোৱা ধৰণে শ্ৰমিকৰ ঔদ্যোগিক বিবাদ উত্থাপন কৰাৰ সেই অধিকাৰ কাঢ়ি ল'ব নোৱাৰি। সেই অধিকাৰ শ্ৰমিকজনক ঔদ্যোগিক বিবাদ আইন, ১৯৪৭ আৰু সংযুক্ত প্ৰদেশ ঔদ্যোগিক বিবাদ আইন, XXVIII, ১৯৪৭ৰ অধীনত  দিয়া হৈছে আৰু সেই অধিকাৰ ইয়াত পূৰ্বে উল্লেখ কৰা কোনো বিধানৰ দ্বাৰা প্ৰভাৱিত নহয়।

আমি সেয়েহে, মত পোষণ কৰো যে শ্ৰী চি. কে. ডাফটাৰীৰ এই যুক্তিও বিফল হয়।

আমি সিদ্ধান্ত লোৱাৰ আগতে এটা পৰিস্থিতি  উল্লেখ কৰিব পাৰো আৰু সেয়া হ'ল যে যদিও শ্ৰম আপীল ন্যায়াধিকৰণে আপীলৰ সৈতে জড়িত আইনৰ গুৰুত্বপূৰ্ণ প্ৰশ্নসমূহ নিৰ্ধাৰণ কৰাত নিজৰ অধিকাৰক্ষেত্ৰ সঠিকভাৱে সীমাবদ্ধ কৰি ৰাখিছিল, তথাপিও ই লক্ষ্য কৰিছিল যে তথ্যসমূহৰ ওপৰত ব'ৰ্ডৰ সিদ্ধান্তসমূহ নিখুঁতভাৱে ন্যায্য আছিল আৰু গুণাগুণৰ ভিত্তিতো আবেদনখনত কোনো সাৰ নাছিল। আপীলকাৰীসকলৰ গোচৰৰ গুণাগুণৰ ভিত্তিত একেবাৰেই

শুনানি গ্ৰহণ কৰা হোৱা নাছিল আৰু শ্ৰম আপীল ন্যায়াধিকৰণৰ বাবে আপীলৰ গুণাগুণ নিজাববীয়াকৈ বিবেচনা কৰি সেই সম্পৰ্কে সিদ্ধান্ত লোৱাটো বৈধ নাছিল। যদি শ্ৰম আপীল ন্যায়াধিকৰণৰ গুণাগুণৰ সন্দৰ্ভত কোনো অধিকাৰ আছিল তেন্তে সেই সম্পৰ্কে সিদ্ধান্তত উপনীত হোৱাৰ আগতে গুণাগুণৰ সন্দৰ্ভত আপীলকাৰীসকলৰ শুনানি গ্ৰহণ কৰাটো ইয়াৰ দায়িত্ব আছিল।

ফলত এই আপীল বিফল হয় আৰু ই খৰচৰ সৈতে খাৰিজযোগ্য।

আপীল খাৰিজ কৰা হ'ল।

আপীলকাৰীৰ এজেন্ট: এছ. এছ. শুক্লা।

DISCLAIMER

"The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation".

"স্থানীয় ভাষালৈ অনূদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে। ইয়াৰ বাদে অন্য ক্ষেত্ৰত অনূদিত ৰূপ ব্যৱহৃত নহব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্য্যকৰীকৰণ

আৰু ৰূপায়ণৰ ক্ষেত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৱেই সঠিক বিবেচিত হব।